**অসম বিধানসভা**

**তৰাচিহ্নিত প্ৰশ্ন নং :-১৮২**

**উত্তৰ দিয়াৰ তাৰিখ :-২৩-০৭-২০২৬**

বিষয় **: Majuli Cultural Landscape Region Act, 2006** সম্পৰ্কে।

বিধায়ক **:** শ্ৰী ভূবন গাম।

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) "Majuli Cultural Landscape Region Act 2006" আইনখন বৰ্তমান কি পৰ্য্যায়ত আছে ?

(খ) এই আইনখনৰ আধাৰত গঠন কৰা "Majuli Cultural Landscape Region Management Authority" নামৰ কৰ্তৃপক্ষ বা বিভাগটো বৰ্তমান সক্ৰিয় হৈ আছেনে? ইয়াৰ অধীনত চলি থকা কাৰ্য্যকলাপ সমূহৰ বৰ্তমানৰ স্থিতি কি?

(গ) চৰকাৰে মাজুলীৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত এই আইনখন আৰু ইয়াৰ বাবে গঠিত কৃৰ্তপক্ষক পুনৰ অধিক সক্ৰিয় কৰি তুলিবলৈ কোনো সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিবনে ? যদি কৰে, কেতিয়াৰ পৰা কৰিব?

**-উত্তৰ-**

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত বিমল বড়াদেৰৰ হৈ মাননীয় মন্ত্ৰী মহোদয় শ্ৰী যুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিব :-

(ক) 'Majuli Cultural Landscape Region Act আইনখন 2006' চনত প্ৰবৰ্তন কৰা হৈছিল আৰু এই আইনখন বৰ্তমান কাৰ্যক্ষম হৈ আছে।

**(খ) আৰু (গ)**

এই আইনখনৰ আধাৰত গঠন কৰা 'Majuli Cultural Landscape Region Management Authority' নামৰ কৃৰ্তপক্ষ বা বিভাগটো বৰ্তমান সক্ৰিয় হৈ আছে।

উক্ত কৃৰ্তপক্ষই সময়ে সময়ে মাজুলিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ইউনেস্কোৰ স্বীকৃতি দিয়াৰ বাবে প্ৰস্তাবৰ পৰ্য্যলোচনা, প্ৰয়োজনীয় উপদেশ আগবঢ়ায় আহিছে।

এই ক্ষেত্ৰত উল্লেখনীয় যে, ২০০৪ চনৰ মাৰ্চ মাহত 'সাংস্কৃতিক পৰিৱেশ' (Cultural Landscape) শ্ৰেণীৰ অধীনত ভাৰতৰ বিশ্ব ঐতিহ্যৰ সম্ভাব্য তালিকাত (Tentative List) মাজুলীক অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তাব প্ৰেৰণ কৰা হৈছিল। পৰৱৰ্তী সময়ত ২০০৬ আৰু ২০০৮ চনতো মাজুলীৰ

নামাংকন (nomination) প্ৰক্ৰিয়া আগবঢ়াই নিয়া হৈছিল। অৱশ্যে, উপদেষ্টা সংস্থাসমূহৰ (Advisory Bodies) পৰামৰ্শৰ ভিত্তিত বিশ্ব ঐতিহ্য কমিটীয়ে (World Heritage Committee) এই নামাংকন পুনৰ পৰ্য্যালোচনা বাবে প্ৰেৰণ (referred) কৰে আৰু পিছলৈ স্থগিত (deferred) ৰাখে। উপদেষ্টা সংস্থাসমূহে সত্ৰসমূহৰ বিস্তৃত নথিপত্ৰ প্ৰস্তুত কৰা, ব্যতিক্ৰমী সৰ্বজনীন মূল্যৰ (Outstanding Universal Value) অধিক পতিয়নযোগ্য উপস্থাপন, ক্ষেত্ৰখনৰ সুৰক্ষা তথা ব্যৱস্থাপনা গাঁথনি শক্তিশালী কৰা আৰু নদী অৱবাহিকাৰ সঠিক মূল্যায়নৰ আহ্বান জনাইছিল।

যেহেতু বিশ্ব ঐতিহ্য তালিকাত কোনো স্থান অন্তৰ্ভুক্ত কৰাটো বিশ্ব ঐতিহ্য সন্মিলন কাৰ্যকৰী কৰাৰ নিৰ্দেশনাৱলীৰ অধীনস্থ এক বহু-পৰ্যায়ৰ প্ৰক্ৰিয়া, গতিকে অসম চৰকাৰে এই পৰামৰ্শসমূহ সমাধানৰ বাবে অধিক অধ্যয়ন, পৰামৰ্শ আৰু সংশোধনমূলক পদক্ষেপ গ্ৰহণ কৰে। নামাংকন (nomination) প্ৰক্ৰিয়াৰ সময়ছোৱাত ইউনেস্ক'ৰ নিয়ম (viii) [Criterion (viii)]-ৰ অধীনত ভূ-তাত্ত্বিক, ভূ-আকৃতি বৈজ্ঞানিক আৰু নদী সম্পৰ্কীয় বৈশিষ্ট্যসমূহৰ বৈজ্ঞানিক নথিপত্ৰ অন্তৰ্ভুক্ত কৰি মাজুলীৰ দাবী অধিক শক্তিশালী কৰাৰ প্ৰয়োজনবোধ কৰা হয়। সেই অনুসৰি, অসম চৰকাৰে ভাৰতীয় ভূতাত্ত্বিক জৰীপ (GSI)-ক নামাংকন (nomination) আবেদনৰ সমৰ্থনত আৱশ্যকীয় বৈজ্ঞানিক অধ্যয়ন আৰু নথিপত্ৰ প্ৰস্তুত কৰিবলৈ অনুৰোধ জনায়।

তদনুসৰি, ২০২৩ চনৰ ১৯ জানুৱাৰীত ভাৰতীয় পুৰাতত্ত্ব জৰীপ (ASI)-ৰ ওচৰত 'প্ৰাকৃতিক ঐতিহ্য' (Natural Property) শ্ৰেণীৰ অধীনত মাজুলীৰ বাবে এখন 'নমিনেশ্বন ডছিয়াৰ' (Nomination Dossier) দাখিল কৰা হৈছিল। কিন্তু বিশ্ব ঐতিহ্য সন্মিলন কাৰ্যকৰী কৰাৰ নিৰ্দেশনাৱলীৰ ৬১(ক) অনুচ্ছেদ অনুসৰি, এটা কেলেণ্ডাৰ বৰ্ষত প্ৰতিখন সদস্য ৰাষ্ট্ৰৰ পৰা কেৱল এখন সম্পূৰ্ণ নামাংকনহে পৰীক্ষা কৰা হয়। ২০২৩ বৰ্ষৰ বাবে ভাৰত চৰকাৰে অসমৰ চৰাইদেউৰ 'মৈদাম – আহোম ৰাজবংশৰ মৈদাম প্ৰণালী'ক বিশ্ব ঐতিহ্য তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে ভাৰতৰ চৰকাৰী নামাংকন (nomination) হিচাপে মনোনীত কৰে। ফলত, সেই নামাংকন (nomination) চক্ৰত মাজুলীৰ আবেদন বিবেচনাৰ বাবে গ্ৰহণ কৰিব পৰা নগ'ল।

পৰৱৰ্তী সময়ত, ভাৰতীয় পুৰাতত্ত্ব জৰীপ (ASI)-য়ে সংশোধিত মাপকাঠী অন্তৰ্ভুক্ত কৰি এক সংশোধিত সম্ভাব্য তালিকা নথি (Tentative List Document) দাখিল কৰাৰ পৰামৰ্শ দিয়ে। সেই অনুসৰি, ভাৰতীয় পুৰাতত্ত্ব জৰীপ আৰু অন্যান্য সংশ্লিষ্ট সংস্থাসমূহৰ সৈতে পৰামৰ্শ ক্ৰমে নামাংকন ডছিয়াৰ (nomination dossier) আৰু সহায়ক নথিপত্ৰসমূহ সংশোধিত তথা শক্তিশালী কৰাৰ প্ৰক্ৰিয়া বৰ্তমান চলি আছে।

ইয়াত উল্লেখনীয় যে পূৰ্বতে এই আইনৰ অধীনত সকলো কাম সাধাৰণ প্ৰশাসন বিভাগৰ অধীনত থকা উজনী অসমৰ Divisional Commissioner ৰ তত্বাবধানত চলি আছিল। কিন্তু ইয়াত উল্লেখনীয় যে, অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে কেইবাটাও অধিসূচনা জাৰি কৰিছে, যাৰ জৰিয়তে পূৰ্বৰ বিভাগীয় আয়ুক্ত (Commissioner of Divisions) কাৰ্যালয়ৰ আপীল ক্ষমতা সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহলৈ হস্তান্তৰ/প্ৰত্যায়োজন কৰা হৈছে। বিভাগীয় আয়ুক্তৰ কাৰ্যালয় বিলুপ্ত হোৱাৰ পাছত সাধাৰণ প্ৰশাসন বিভাগে, বিভাগীয় আয়ুক্তৰ প্ৰশাসনিক আৰু বিধিসম্মত (statutory) ক্ষমতাৰ সৈতে জড়িত বিষয়সমূহ পৰিচালনা কৰি আহিছে আৰু সাধাৰণ প্ৰশাসন

বিভাগৰ পত্ৰ নং জি.এ.ডি. ১৬/৬৪/২০২৪ (৬৪৪২৪১৬), তাৰিখ ১৮/০৩/২০২৪ অনুসৰি উক্ত প্ৰাধিকৰণৰ দায়িত্ব সাংস্কৃতিক পৰিক্ৰমা বিভাগক অৰ্পণ কৰা হৈছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগে, 'Majuli Cultural Landscape Region Act'-ৰ ধাৰা ২(ডি)-ৰ বিধান অনুসৰি, অধিসূচনা নং চি.এ.ডি./ই.চি.এফ. ৪৭৪৫১১/২৬, তাৰিখ ০৩/০৫/২০২৪-ৰ জৰিয়তে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ জ্যেষ্ঠ সচিবক উক্ত প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া (Chief Executive Officer) হিচাপে নিযুক্তি প্ৰদান কৰা হয়।

২০২৫ চনৰ মাৰ্চ মাহত গ্ৰহণ কৰা অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি**,** সাংস্কৃতিক পৰিক্ৰমা বিভাগে মাজুলীক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক প্ৰস্তুতিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে প্ৰথমতে ড° কে. চি. নৌৰিয়ালক প্ৰাথমিক মূল্যায়ন **(Preliminary Assessment)** আৰু নমিনেশ্বন ডছিয়াৰ প্ৰস্তুত কৰাৰ বাবে বিশেষজ্ঞ হিচাপে নিয়োজিত কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল যদিও**,** ব্যক্তিগত কাৰণ দৰ্শাই ড° কে. চি. নৌৰিয়ালে উক্ত দায়িত্ব গ্ৰহণ কৰিবলৈ অপাৰগতা প্ৰকাশ কৰে।

ইতিমধ্যে, সাংস্কৃতিক পৰিক্ৰমা বিভাগে মাজুলীৰ বৈষ্ণৱ সংস্কৃতি আৰু বিহুক UNESCO-ৰ Representative List of the Intangible Cultural Heritage-ত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে প্ৰাথমিক মূল্যায়ন (Preliminary Assessment) আৰু নমিনেশ্বন ডছিয়াৰ প্ৰস্তুত কৰাৰ বাবে নতুন দিল্লীৰ মেছাৰ্ছ ক্ৰিয়েটিভ ফুটপ্ৰিন্টছ (M/s Creative Footprints)-ৰ প্ৰধান সংৰক্ষণ স্থপতিবিদ (Principal Conservation Architect) শ্ৰীমতী ছৌমী চেটাৰ্জীক নিয়োজিত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই প্ৰস্তাৱটো বৰ্তমান বিভাগত বিবেচনাধীন হৈ আছে।

চৰকাৰে Majuli Cultural Landscape Region Act, 2006-ৰ বিধানসমূহ অধিক ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰি মাজুলীৰ সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষা, সংৰক্ষণ আৰু সু-পৰিচালনা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি আছে। আইনখন প্ৰৱৰ্তন হোৱাৰ পিছত বিভাগীয় আয়ুক্তৰ কাৰ্যালয় বিলুপ্ত হোৱা, মাজুলী জিলা সৃষ্টি হোৱা আৰু Majuli Cultural Landscape Region Management Authority-ৰ দায়িত্ব সাংস্কৃতিক পৰিক্ৰমা বিভাগলৈ অৰ্পণ কৰা আদি গুৰুত্বপূৰ্ণ প্ৰশাসনিক পৰিৱৰ্তন সংঘটিত হোৱাত, বৰ্তমানৰ প্ৰশাসনিক ব্যৱস্থাৰ সৈতে সামঞ্জস্য ৰাখি আইনখনৰ বিভিন্ন বিধান, বিশেষকৈ প্ৰাধিকৰণৰ গঠন আৰু গঠনতন্ত্ৰ সম্পৰ্কীয় বিধানসমূহ পুনৰীক্ষণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত, আইনখনৰ সংশোধনৰ বাবে এখন সমিতি গঠনৰ প্ৰস্তাৱ আৰু সমিতিখনৰ বাবে উপযুক্ত নামসমূহ দাখিল কৰিবলৈ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালক, অসমক অনুৰোধ জনোৱা হৈছে। সমিতিৰ পৰামৰ্শৰ ভিত্তিত আইনখনৰ প্ৰয়োজনীয় সংশোধন, Majuli Cultural Landscape Region Management Authority-ৰ পুনৰ্গঠন আৰু আইনখনৰ উদ্দেশ্যসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাৰ বাবে চৰকাৰে পৰৱৰ্তী প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰণ কৰা হৈছে***

XXXXXXXXOXXXXX